অসমীয়া চুটিগল্পৰ তৃতীয়টো স্তৰ আৰম্ভ হয় ৰামধেনু বা যুদ্ধোত্তৰ যুগত। দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণিৰ লগে লগে আৱাহন যুগৰ সামৰণি পৰিল। ১৯৫১ চনত প্ৰকাশিত 'ৰামধেনু' আলোচনীয়ে অসমীয়া চুটিগল্পৰ বিকাশ আৰু সমৃদ্ধিত বিশেষ অৱদান আগবঢ়ালে। এই ৰামধেনু আলোচনীৰ পাততে অসমীয়া চুটিগল্পই বিস্তৃতি লাভ কৰি যুদ্ধোত্তৰ অথবা স্বাধীনোত্তৰ যুগৰ গল্পৰ সূচনা কৰি এক শক্তিশালী ৰূপ গ্ৰহণ কৰিলে। "ৰামধেনু যুগৰ চুটিগল্পই নতুন ৰূপ লোৱাৰ মূলতে আছিল দ্বিতীয় বিশ্বযুদ্ধ আৰু স্বাধীনতা আন্দোলন। ইয়াৰ ফলত সৃষ্টি হোৱা সামাজিক আৰু ব্যক্তিগত সম্পৰ্কৰ অৱনতি, সামাজিক আৰু নৈতিক প্ৰমূল্যসমূহত ধৰা ভাঙোন, সাম্প্ৰদায়িক সংঘৰ্ষ, ৰাজনৈতিক সংগ্ৰাম, যুদ্ধই সৃষ্টি কৰা মুদ্ৰাস্ফীতি আৰু অনাটন, নতুন ধনাঢ্য শ্ৰেণীৰ সৃষ্টি — এই আটাইবোৰ সংকট, সমস্যা আৰু ঐতিহাসিক ঘটনাই জাতীয় জীৱনত এক ডাঙৰ পৰিৱৰ্তনৰ সূচনা কৰাৰ লগতে অসমীয়া চুটিগল্পৰ ভাব-বস্তু আৰু ৰূপ-বস্তুৰ নিৰ্মাণতো ভালেখিনি পৰিৱৰ্তন আনিলে।"[১৯] ৰামধেনু যুগৰ গল্পকাৰসকলে পূৰ্বৰ ৰোমাণ্টিকতাৰ বিপৰীতে বাস্তৱমুখী চিন্তা-চেতনাৰে উদ্বুদ্ধ হৈ গল্প ৰচনাত ব্ৰতী হ'ল। পাশ্চাত্য সাহিত্যৰ প্ৰভাৱৰ ফলস্বৰূপে পাশ্চাত্যৰ সমাজবাদ, বাস্তৱবাদ, মনস্তাত্ত্বিকতাবাদ, অৱস্থিতিবাদ, অভিব্যক্তিবাদ, অধিবাস্তৱবাদ, চেতনাস্ৰোত আদি জটিল ভাব-বস্তুৰ সমাৱেশে এই কালৰ চুটিগল্পক এক নতুনত্বৰ দিশ দেখুৱালে। ফ্ৰয়ডীয় মনস্তত্ত্ব আৰু মাৰ্ক্সীয় ভাৱধাৰাৰে গল্পকাৰসকল প্ৰভাৱান্বিত হ'ল।

মুঠতে ৰামধেনু আলোচনীকেন্দ্ৰিক এচাম গল্পকাৰে অসমীয়া চুটিগল্পক ন-ন ভাব-বস্তু আৰু আংগিকেৰে সজাই পৰাই সকলো দিশৰ পৰা সমৃদ্ধিশালী কৰি তোলাত বৰঙণি যোগালে। ৰামধেনু যুগত গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰা লেখকসকলৰ ভিতৰত চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, মহিম বৰা, সৌৰভ কুমাৰ চলিহা, ভবেন্দ্ৰনাথ শইকীয়া, হোমেন বৰগোহাঞি, চন্দ্ৰপ্ৰসাদ শইকীয়া, স্নেহ দেৱী, লক্ষ্মীনন্দন বৰা, নিৰুপমা বৰগোহাঞি, নিৰোদ চৌধুৰী, অতুলানন্দ গোস্বামী, শীলভদ্ৰ, মামণি ৰয়ছম গোস্বামী, নগেন শইকীয়া, নীলিমা শৰ্মা, অণিমা দত্ত ভৰালী, প্ৰবীণা শইকীয়া, গোবিন্দ প্ৰসাদ শৰ্মা, কুমুদ গোস্বামী ,অপূৰ্ব শৰ্মা, ভদ্ৰেশ্বৰ বাজখোৱা, ৰিজু হাজৰিকা আদিয়েই প্ৰধান। এইসকলৰ মাজত দুই-এগৰাকীয়ে আৱাহন আৰু জয়ন্তীত গল্পকাৰ হিচাপে প্ৰতিষ্ঠা

লাভ কৰিছিল যদিও ৰামধেনু যুগতহে এওঁলোকৰ গল্পই সম্পূৰ্ণ ৰূপে বিস্তাৰ লাভ কৰে। যুদ্ধোত্তৰ অসমীয়া গল্প-সাহিত্যৰ জনপ্ৰিয় চুটিগল্পকাৰ চৈয়দ আব্দুল মালিক অধিকসংখ্যক চুটিগল্প ৰচনাৰ কৃতিত্বৰো অধিকাৰী। চল্লিশৰ দশকতে জেউতী আলোচনীত গল্প ৰচনাৰে পাতনি মেলা চৈয়দ আব্দুল মালিক কুৰি শতিকাৰ আবাহন, বাঁহী, জয়ন্তী, ৰামধেনু প্ৰমুখ্যে আটাইবোৰ আলোচনীৰে কেন্দ্ৰবিন্দু আছিল। জীৱনৰ তিনিকুৰি বছৰতকৈয়ো অধিক কাল প্ৰায় দুহেজাৰ চুটিগল্প ৰচনা কৰা এই কলাকাৰজনৰ গল্প সংকলন কেইখন হ'ল— *পৰশমণি, ৰভাগড়া, মৰহাপাপৰি, এজনী নতুন জাপানী ছোৱালী, মৰম মৰম লাগে, শিল আৰু শিখা, শিখৰে শিখৰে*। মানুহৰ আনুভূতিক জীৱনৰ ৰূপ বৈচিত্ৰ্য বৰ্ণাঢ্য ৰূপত দাঙি ধৰাত তেওঁৰ দক্ষতা অতুলনীয়। চৈয়দ আব্দুল মালিকৰ গল্পৰ বিষয়বস্তু বৰ ব্যাপক আৰু বৰ্ণাঢ্য। ৰোমাণ্টিক প্ৰেম, ৰাজনৈতিক, সামাজিক তথা অৰ্থনৈতিক জীৱনৰ বিভিন্ন চিত্ৰবোৰ গল্পৰ মাজেৰে তেওঁ সুন্দৰকৈ প্ৰকাশ কৰিছে। সমাজৰ পৰম্পৰাগত সংস্কাৰৰ অন্তৰালত লুকাই থকা মানৱীয় অভিব্যক্তিক আকৰ্ষণীয় ৰূপত উন্মোচন কৰাৰ ক্ষেত্ৰত তেওঁ পাৰদৰ্শী। বিষয়বস্তু নিৰ্বাচন, উপস্থাপনৰ কৌশল, বৰ্ণনাৰ চাতুৰ্য, ভাৱৰ অগতানুগতিকতা, ভাষাৰ লালিত্য, মানৱ চৰিত্ৰৰ সূক্ষ্ম বিশ্লেষণ তেওঁৰ গল্পৰ মূল উপাদান। সমাজ সচেতনতা মালিকৰ গল্পৰ প্ৰধান বৈশিষ্ট্য। সমাজৰ অৱহেলিত, নিপীড়িত, শোষিত, দৰিদ্ৰজনৰ প্ৰতি এক সহানুভূতিৰ মনোভাৱ তেওঁৰ গল্পত প্ৰতিভাত হৈছে। নৰ-নাৰীৰ প্ৰেম আৰু সম্পৰ্কৰ বিভিন্ন সমস্যা আৰু সাম্প্ৰদায়িক অশান্তি আদিয়েও তেওঁৰ গল্পত স্পষ্টৰূপত ধৰা দিছে।

*ৰামধেনু* আলোচনীক তৃতীয় বছৰৰ পৰা ন-ৰূপেৰে সজ্জিত কৰি প্ৰাণ প্ৰতিষ্ঠা কৰা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই অসমীয়া সাহিত্যৰ ইতিহাসত আধুনিক গল্পৰ সৌধ তৈয়াৰ কৰি থৈ গৈছে। ভট্টাচাৰ্যই একেধাৰে গল্পকাৰ, ঔপন্যাসিক, কবি, জীৱনীকাৰ, অনুবাদক, সমালোচক হিচাপে খ্যাতি অৰ্জন কৰিছিল। ৰামধেনুৰ পাতত তেওঁ *এজনী জাপানী ছোৱালী, কলং আজিও বয়, বাৰ্ড নং দুই, মিএগ মনচুৰ, মাকনৰ গোসাঁই, শলিতা মামী, কি নৰ জোন, ছিৰলা আৰু চিন্দুইন* প্ৰভৃতি গল্পৰে সৈতে মুঠ ১৭ টা গল্প ৰচনা কৰি আধুনিকতাবাদৰ বীজ সিঁচি দিছিল। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পত আছে সামাজিক আৰু ৰাজনৈতিক সচেতনতা, সবল আৰু বাস্তৱমুখী প্ৰকাশভংগী আৰু গভীৰ মানৱিক চেতনা। নাট্যগুণধৰ্মিতা আৰু গীতিধৰ্মিতা তেওঁৰ গল্পৰ মনকৰিবলগীয়া বৈশিষ্ট্য। যোগেশ দাসৰ গল্পত সকলো শ্ৰেণীৰ মানুহৰ প্ৰতি সহানুভূতি আৰু জৈৱিক-সামাজিক সমস্যাসমূহৰ বাস্তৱধৰ্মী চিত্ৰণ পৰিলক্ষিত হয়। *পপীয়া তৰা, পৃথিৱীৰ অসুখ, ত্ৰিবেণী* আদি তেওঁৰ জনপ্ৰিয় গল্প সংকলন। ৰামধেনু যুগৰে আন এগৰাকী বিশিষ্ট লেখক মহিম বৰা। ১৯৪৫-৪৬ চনত প্ৰকাশিত ৰৰদৈচিলা আলোচনীৰ যোগেদি বৰাই সাহিত্যিক জীৱনৰ পাতনি মেলে। গ্ৰাম্য সমাজ জীৱনৰ সুদৃঢ় প্ৰতিফলন, জন-জীৱনৰ সৰু সুৰা ঘটনা, গ্ৰাম্য পৰিবেশ, ভাৱনা, ৰীতি-নীতি আদিক গল্পৰ প্ৰধান উপজীৱ্য হিচাপে গ্ৰহণ কৰা ৰামধেনু যুগৰ গল্পকাৰ

মহিম বৰাৰ গল্প সংকলনকেইখন হ'ল— *কাঠনিবাৰী ঘাট, বহুভূজী ত্রিভূজ, এখন নদীৰ মৃত্যু, ৰাতি ফুলা ফুল, দেহগৰকা প্রেম, মোৰ প্রিয় গল্প, বৰযাত্রী, মই পিপলি আৰু পূজা।* প্রথম অৱস্থাত তেওঁ হাস্য-ব্যংগৰ জৰিয়তে মানৱ জীৱনৰ কাহিনীক গল্পৰূপ দান কৰিছিল। কিন্তু পাছলৈ তেওঁ মানৱৰ জীৱনবোধ আৰু ৰূঢ় সত্যৰ বাস্তৱতাৰ ভেটিত গল্প লিখিছে।

ৰামধেনু যুগৰ গল্প সাহিত্যক এক বিশিষ্ট শৈলীৰে সমৃদ্ধ কৰা গল্পকাৰ হ'ল সৌৰভ কুমাৰ চলিহা। মননশীলতা তেওঁৰ গল্পৰ অন্যতম বৈশিষ্ট্য। জীৱন আৰু জগতক বৈজ্ঞানিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰাৰ প্রয়াসেৰে এওঁৰ গল্পসমূহত এক বৌদ্ধিক সচেতনতা লক্ষ্য কৰা যায়। তেওঁ গল্পৰ বিষয় বস্তু নির্বাচন আৰু আংগিক উভয়তে নতুনত্বৰ বাহক। আধুনিক নগৰকেন্দ্রিক জীৱনৰ নিঃসংগতা, বিচ্ছিন্নতা, অন্তঃসাৰশূন্যতা, বুদ্ধিদীপ্ত প্রকাশভংগী আৰু কৌশল তেওঁৰ গল্পৰ বিশেষত্ব। তেওঁৰ প্রকাশিত গল্প সংকলন কেইখন হ'ল — *সৌৰভ কুমাৰ চলিহাৰ স্বনির্বাচিত গল্প, অশান্ত ইলেকট্রন, গোলাম, দুপৰীয়া, এহাত ডাবা, কবি, জন্মদিন, জোনবিৰি, নৰজন্ম।* আকৌ দহোটা বিদেশী গল্পৰ অনুবাদ গল্প সংকলনখন হ'ল *আজি শুক্রবাৰ।* ১৯৭৪ চনত *গোলাম* গল্পপুথিৰ বাবে সৌৰভ কুমাৰ চলিহাই সাহিত্য অকাডেমী বঁটা আৰু ১৯৯৫ চনত অসম সাহিত্য উপত্যকা বঁটা লাভ কৰে।

ৰামধেনু আলোচনীৰ জৰিয়তে আত্মপ্রকাশ কৰি কেবাখনো গল্প সংকলনেৰে অসমীয়া গল্প সাহিত্যক এক বিশিষ্ট মাত্রা প্রদান কৰা আন এজন গল্পকাৰ হ'ল ভবেন্দ্রনাথ শইকীয়া। তেওঁৰ প্রকাশিত গল্প সংকলন সমূহ হৈছে — *প্রহৰী, বৃন্দাবন, গহ্বৰ, সেন্দূৰ, শৃংখল, ভবেন্দ্র নাথ শইকীয়াৰ শ্রেষ্ঠ গল্প, এই বন্দৰৰ আবেলি, আকাশ, উপকণ্ঠ, সান্ধ্যভ্রমণ।* এইগৰাকী মহান কথাশিল্পীয়ে ১৯৭০ চনত *সেন্দূৰ* সংকলনটিৰ বাবে অসম প্রকাশন পৰিষদৰ বঁটা লাভ কৰে। আকৌ, ১৯৭৬ চনত *শৃংখল* গল্প পুথিৰ বাবে সাহিত্য অকাডেমী বঁটা, ১৯৯৩ চনত অসম উপত্যকা বঁটা, ২০০০ চনত শংকৰদেৱ বঁটা আৰু চলচ্চিত্রৰ বাবে ৰজত কমল বঁটাও লাভ কৰে। তেওঁৰ গল্প কাহিনীপ্রধান। সূক্ষ্ম পর্যৱেক্ষণ, পুংখানুপুংখ বর্ণনাৰ চমকপ্রদ উপস্থাপন, ইংগিতধর্মিতা, লক্ষ্যৰ একমুখিতা, সহজ-সৰল ভাষা প্রয়োগ আদি শইকীয়াৰ গল্পৰ বিশেষ বৈশিষ্ট্য। প্রাত্যহিক জীৱনৰ সৰু-সুৰা ঘটনা একোটাকে সূক্ষ্ম বর্ণনাৰ মাজেৰে জীৱন্ত তথা ৰসোত্তীর্ণ ৰূপত দক্ষতাৰে দাঙি ধৰি ভাব-বস্তুক ব্যঞ্জিত কৰি তোলাত শইকীয়া সিদ্ধহস্ত। মধ্যবিত্ত বা নিম্ন মধ্যবিত্ত শ্রেণীৰ মানুহৰ দুখ-দুর্দশাৰ ছবি তেওঁৰ গল্পত অতি স্পষ্ট। শইকীয়াৰ গল্পৰ মাজেৰে সমাজৰ ভণ্ড আৰু অশুভ শ্রেণীৰ চৰিত্রৰ প্রতিও তীব্র ব্যংগ কৰা পৰিলক্ষিত হয়। তেওঁৰ গল্পৰ কথনভংগীত মোপাঁছা আৰু জীৱনৰ আত্মিক উপলব্ধিত চেখভৰ প্রভাৱ অনুভূত হয়।

ৰামধেনুৰে সৃষ্টি কৰা বৃহৎ লেখকগোষ্ঠীৰ মাজৰ আন এক শক্তিশালী গল্পকাৰ হ'ল হোমেন বৰগোহাঞি। অতি কমসংখ্যক গল্পৰ মাজেৰেই তেওঁ অসমীয়া গল্প সাহিত্যত এক বিশিষ্ট আসন দখল কৰিবলৈ সক্ষম হৈছে। গল্পৰ যোগেদি এক নব্য ভাৱাদর্শৰ

আধাৰত জীৱনক বিশ্লেষণ কৰাত তেওঁ কৃতিত্ব লাভ কৰিছে। মানুহৰ বৈচিত্ৰ্যপূৰ্ণ মনোজগতৰ একান্ত সমস্যা আৰু বিক্ষিপ্ত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ প্ৰতিচ্ছবি অংকনত তেওঁ গুৰুত্ব আৰোপ কৰিছে। বৰগোহাঞিৰ গল্পত অস্তিত্ববাদী দৰ্শন আৰু ফ্ৰয়ডীয় মনস্তত্ত্বৰ সমাহাৰ লক্ষণীয়। মুঠতে আধুনিক জীৱনৰ বৈচিত্ৰ্যময় ভাবৰ প্ৰতিফলন ঘটিছে হোমেন বৰগোহাঞিৰ গল্পত। চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণৰ পৰা আৰম্ভ কৰি সামাজিক অন্যায়, অবিচাৰ আৰু দুৰ্নীতিৰ সমালোচনামূলক দৃষ্টিভংগীলৈকে বহুতো দিশে তেওঁৰ গল্পক বৈশিষ্ট্যপূৰ্ণ কৰি তোলে। বলিষ্ঠ ভাষা আৰু বিষয়োপযোগী নব্য কলা-কৌশলৰ প্ৰয়োগে বৰগোহাঞিৰ গল্পক এক বিশেষ স্থান প্ৰদান কৰিছে। *ইছমাইল শেখৰ সন্ধানত, ভয়, হাতী, শিল্প, ধুমুহা, শিশুৰ হাঁহি* আদি তেওঁৰ কেইটামান প্ৰতিনিধিত্বমূলক গল্প। ৰামধেনু যুগৰ নাৰীবাদী চিন্তা-চেতনাৰে উদ্বুদ্ধ হোৱা স্নেহ দেৱীৰ গল্পত নাৰীৰ মনস্তত্ত্ব, নৰ-নাৰীৰ সম্পৰ্কজনিত সংশয়, মতানৈক্য, সন্দেহৰ প্ৰতিফলন দেখা যায়। সমাজৰ নিম্ন আৰু মধ্যবিত্ত নৰ-নাৰীৰ জীৱনৰ সংঘাত আৰু বিচিত্ৰ কাৰ্যকলাপেৰে চৰিত্ৰবোৰে প্ৰকাশ কৰা নিজ নিজ মানসিক অৱস্থা আৰু আচৰণ স্নেহ দেৱীৰ গল্পৰ মূল উপজীৱ্য। *সূচনা, বিচিত্ৰ,* আদি তেওঁৰ বিশিষ্ট গল্প। গ্ৰাম্য জীৱনৰ বাস্তৱ চিত্ৰ অংকনত সিদ্ধহস্ত লেখক লক্ষ্মীনন্দন বৰাৰ গল্পৰ ভাষাৰ সাৱলীলতা আৰু বৰ্ণনাৰ চিত্ৰধৰ্মিতা আকৰ্ষণীয়। কৃষিজীৱী সমাজ-জীৱনৰ জটিলতা অথচ এনে জটিলতাৰ মাজতে জীৱনৰ সৌন্দৰ্য লক্ষ্মীনন্দন বৰাৰ সৰহভাগ গল্পতে পৰিস্ফুট হৈছে। অৱশ্যে পাছৰ ফালে তেওঁ আধুনিক নগৰকেন্দ্ৰিক জীৱনক লৈ সৰহসংখ্যক গল্প ৰচনা কৰিছে। নিৰুপমা বৰগোহাঞিৰ গল্পত আধুনিক নাৰী জীৱনৰ মানসিকতাৰ স্বৰূপ, দ্বন্দ্ব আৰু নিৰ্যাতন প্ৰধান বিষয়বস্তু। "নিৰুপমা বৰগোহাঞিৰ গল্পত সমকালীন সমালোচনা আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ জীৱন যন্ত্ৰণা অতি স্পষ্টভাৱে প্ৰকাশ পাইছে। তদুপৰি প্ৰাত্যহিক জীৱনৰ সৰু-সুৰা কথা আৰু সাধাৰণ ঘটনাৰ মাজতে জীৱনৰ বৈচিত্ৰ্যৰ সন্ধান কৰাত নিৰুপমা বৰগোহাঞি সাৰ্থক লেখিকা।" *এনথ্ৰপলজি সপোনৰ পিছত, ঢেকীৰ সৰগ, মধ্যবৰ্তিনী* আদি তেওঁৰ কেইটিমান বিশিষ্ট গল্প।

সত্তৰৰ দশকত অসমীয়া সাহিত্যত 'শীলভদ্ৰ' নামেৰে আত্মপ্ৰকাশ কৰি সাহিত্যৰ ক্ষেত্ৰখনলৈ অনবদ্য অৱদান আগবঢ়াই যোৱা ৰেৱতী মোহন দত্তচৌধুৰী একাধাৰে গল্পকাৰ, ঔপন্যাসিক। মধুপুৰ বহুদূৰৰ স্ৰষ্টা শীলভদ্ৰৰ লিখনিত জন্মস্থান মধুপুৰৰ বিশেষ উপস্থিতি মনকৰিবলগীয়া। 'মধুপুৰৰ মধুকৰ' শীলভদ্ৰৰ প্ৰথম গল্প *অভিযোগ*। গল্পটো প্ৰকাশ হৈছিল ১৯৬৪ চনত প্ৰয়াত চন্দ্ৰপ্ৰসাদ শইকীয়াৰ দ্বাৰা সম্পাদিত 'অসম বাতৰি'ৰ পূজা সংখ্যাত। *বাস্তৱ, সমুদ্ৰতীৰ, তৰুৱা কদম, বীৰ সৈনিক, শীলভদ্ৰৰ কুৰিটা গল্প, মেজাজ, প্ৰতীক্ষা, জীৱন আৰু অন্যান্য গল্প, আকৌ মধুপুৰ, মধুপুৰ বহুদূৰ, তৰ্পণ, চিঠি আৰু অন্যান্য গল্প নিৰ্বাচিত গল্প, লগৰীয়া, অন্য এক মধুপুৰ, উত্তৰ নাই, মধুপুৰৰ মধুকৰ*আদি চুটিগল্প সংকলনেৰে তেওঁৰ সাহিত্যকৃতি সমুজ্জ্বল।

ৰোমাণ্টিক প্ৰেমক প্ৰধান বিষয় হিচাপে লৈ নিৰোদ চৌধুৰী আৰু ইমৰান শ্বাহে প্ৰাঞ্জল প্ৰকাশভংগীৰে এই যুগতে গল্প ৰচনা কৰিছে। আনহাতে " ইমৰান শ্বাহৰ গল্প জনপ্ৰিয় হৈ উঠাৰ কাৰণসমূহ হ'ল নৰ-নাৰীৰ প্ৰেমৰ মুক্ত বিৱৰণ, সমকালৰ সমাজৰ কদৰ্য ৰূপটোৰ প্ৰতি সুতীব্ৰ ব্যঙ্গ আৰু পৰিণতিমুখী উৎকণ্ঠা সৃষ্টি কৰিব পৰা ঘটনা-বৈচিত্ৰ্য।" *ধুঁৱলী চেতনা, তামাদি হাত, প্ৰতিভাস* আদি তেওঁৰ উৎকৃষ্ট গল্পসৃষ্টি। ঘটনাৰ একমুখিতা আৰু ভাষাৰ কাব্যিক ব্যঞ্জনাৰ বাবে নিৰোদ চৌধুৰীৰ গল্প সুখপাঠ্য। চৌধুৰীৰ গল্পত জীৱনৰ কাৰুণ্যৰ এটি সুৰ অনুভৱ কৰা যায়। *গুলমহৰ, ফানুচ, তেজ, তৃতীয় চকু* আদি তেওঁৰ গল্প সাধনাৰ বিশেষ উদাহৰণ। ৰামধেনু যুগৰ আন এজন ব্যতিক্ৰমধৰ্মী গল্পকাৰ হৈছে অপূৰ্ব শৰ্মা। শৰ্মাই চেতনাস্ৰোতধৰ্মী চিন্তাৰে গল্প ৰচনা কৰি আধুনিক অসমীয়া চুটিগল্পৰ ইতিহাসত এখনি বিশিষ্ট আখন দখল কৰে। *দাপোণ* আৰু *অন্ধকাৰৰ আলাপ* তেওঁৰ দুটি উচ্চমানবিশিষ্ট গল্প। অতুলানন্দ গোস্বামীয়ে অতি সহজ-সৰল বিষয়বস্তুৰ মাজেদিয়ে চৰিত্ৰৰ মনোজগতৰ ভিতৰলৈ প্ৰৱেশ কৰি চৰিত্ৰৰ আনুভূতিক জগতখনৰ ছবি তেওঁৰ গল্পত উদঙাই দেখুৱাইছে। যুদ্ধৰ পটভূমিতো তেওঁ ভালেসংখ্যক গল্প ৰচনা কৰিছে। অনাড়ম্বৰ ভাষা আৰু বৰ্ণনাৰ সংযম তেওঁৰ গল্পৰ বিশেষত্ব। *হামদৈ পুলৰ জোন, আয়োজন, বিজয়ৰ গ্লানি* আদি তেওঁৰ সুখপাঠ্য গল্প। গল্প লিখিকা হিচাপে আত্মপ্ৰকাশ কৰি পৰৱৰ্তী সময়ত ঔপন্যাসিকাৰূপে সাৰ্থকতা লাভ কৰা মামণি ৰয়ছম গোস্বামীয়ে তেওঁৰ গল্পত নাৰী মনস্তত্ত্বৰ লগতে নাৰী মুক্তিৰ চেতনা মানৱতাবাদী দৃষ্টিভংগীৰে ৰূপায়িত কৰিছে। তেওঁ গল্পত শক্তিশালী ভাষাৰে সমাজৰ কু-সংস্কাৰসমূহক নিৰ্ভীকভাৱে প্ৰকাশ কৰিছে। নাৰী মনৰ অনুভূতি আৰু দ্বন্দ্ব সাৱলীল ভাষাৰে দাঙি ধৰা ষাঠিৰ দশকৰ এগৰাকী জনপ্ৰিয় লেখিকা অনিমা দত্ত ভৰালী। বাস্তৱবাদী দৃষ্টিভংগীৰে ৰচনা কৰা তেওঁৰ মাথোন দুখন গল্পপুথি *বেলি ফুলৰ সপোন* আৰু *কাঞ্চনজংঘা*। বাস্তৱবাদী দৃষ্টিভংগীৰ উপৰিও বৌদ্ধিক চিন্তা, সমাজ-সচেতনতা, ধৰ্মীয় দৰ্শন আদিৰ উপলব্ধি চৰিত্ৰসমূহৰ মাজেদি সফল প্ৰয়োগ কৰিছে।

এগৰাকী গল্পকাৰ আৰু ঔপন্যাসিকা হিচাপে পৰিচিতা প্ৰবীণা শইকীয়াৰ গল্পসমূহ মূলতঃ কাহিনীপ্ৰধান। তদুপৰি পৰিণতিমুখী উৎকণ্ঠা সৃষ্টিৰে কাহিনী বিন্যাস কৰিব পৰা গুণৰ বাবেই প্ৰবীণা শইকীয়াৰ গল্প সুখপাঠ্য। কাব্যিকতাপূৰ্ণ ভাষা, স্বকীয় গঠনশৈলীৰে শইকীয়াই বহুতো উৎকৃষ্ট গল্প ৰচনা কৰিছে। *অবিনাশী স্বপ্ন, সাৰথি, মৰুতীৰ্থ, দাহ, জনাৰ্দন আশ্চৰ্য* আদি তেওঁৰ সুন্দৰ গল্পৰ দৃষ্টান্ত। চৰিত্ৰৰ গভীৰতালৈ সোমাই গৈ চৰিত্ৰৰ মনোজগতক পোহৰলৈ আনিব পৰা দক্ষতাৰ বাবে শইকীয়াৰ গল্পই সফলতা অৰ্জন কৰিছে। এই যুগৰে আন এজন গল্পকাৰ প্ৰণৱজ্যোতি ডেকাই খুব কমসংখ্যক গল্পৰ যোগেদি তেওঁৰ সুদক্ষ সৃজনী প্ৰতিভাৰ পৰিচয় প্ৰকাশ কৰিছে। *বেওৱাৰিচ লাচ, ৰাজনীতি, বৈহতা* আদি তেওঁৰ উৎকৃষ্ট গল্প। ডেকাৰ গল্পত সাধাৰণ মানুহৰ প্ৰতি দৰদী অনুকম্পাৰ প্ৰদৰ্শন লক্ষণীয়। তেওঁ

সমাজৰ তুচ্ছজনৰ হৃদয়ানুভূতি অতি সূক্ষ্মভাৱে পৰ্য্যবেক্ষণ কৰি ইয়াক সঠিকভাৱে গল্পৰ জৰিয়তে প্ৰকাশ কৰিছে। ডেকাৰ গল্পৰ চৰিত্ৰবোৰ অতি সজীৱ আৰু সক্ৰিয়। লেখকৰ বক্তব্য পোনপটীয়া নহৈ চৰিত্ৰৰ ভাবচিন্তা, গতিবিধি আৰু কাৰ্যৰ মাজেদিহে প্ৰকাশ হৈছে। বক্তব্য প্ৰকাশৰ এনে পৰোক্ষ ৰীতিৰ বাবেও ডেকাৰ গল্পৰ সফলতা স্বীকাৰ্য। এইদৰে আৰু ভালেসংখ্যক গল্পকাৰৰ সাধনাই যুদ্ধোত্তৰ বা ৰামধেনু যুগৰ গল্প-সাহিত্য সমৃদ্ধ কৰি তুলিলে।